3261

(৫)
(৬০)

VPC:2081001001

Roll No.........

**Undergraduate Examination, 2023**
**Semester I**
**Paper: AEC A**
**Paper Title: Translation and Interpretation in Assamese**

*Time:2 hours* *Maximum Marks: 60*

*(Write Your Roll No. on the top immediately on receipt of this question paper)*

1. তলৰ যিকোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখাঁ। 2X5=10

   (i) মাধৱ কন্দলিয়ে অসমীয়া ভাষালৈ অনুবাদ কৰা ৰামায়ণখনৰ নাম কি ?

   (ii) অনুবাদৰ দুটা সমাৰ্থক শব্দ লিখাঁ।

   (iii) 'তৰজুমা' কোন ভাষাৰ শব্দ ?

   (iv) আনন্দচন্দ্ৰ আগৰৱালা অসমীয়া সাহিত্যত কি নামেৰে জনাজাত ?

   (v) অসমীয়া ভাষাৰপৰা ভাষাৰপৰা আন ভাষালৈ অনূদিত যিকোনো দুটা পাঠ বা দুখন কিতাপৰ নাম লিখাঁ।

   (vi) আন্তঃভাষিক অনুবাদ মানে কি?

2. তলৰ যিকোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ। 5x4=20

   (i) অনুবাদ কৰিবলৈ অনুবাদকগৰাকীয়ে কি কি গুণ আহৰণ কৰিব লাগে সেই বিষয়ে বহলাই লিখাঁ।

   (ii) অনুবাদকৰ বিভিন্ন সমলসমূহ বিষয়ে আলোচনা কৰাঁ।

   (iii) মৌখিক অনুবাদৰ বিষয়ে এটা টোকা লিখাঁ।

   (iv) অসমীয়া অনুবাদ সাহিত্যৰ বিষয়ে এটি চমু বিশ্লেষণ আগবঢ়োৱাঁ।

   (v) অনুবাদ কাৰ্য্যত মূল পাঠৰ পঠনৰ গুৰুত্বৰ বিষয়ে লিখাঁ।

3. তলৰ কথাখিনি অসমীয়া ভাষালৈ অনুবাদ কৰাঁ। 15

According to WHO, there is no single 'official' definition of mental health. Mental health refers to a person's psychological, emotional, and social well-being; it influences what they feel and how they think, and behave. The state of cognitive

and behavioural well-being is referred to as mental health. The term 'mental health' is also used to refer to the absence of mental disease.

Mental health means keeping our minds healthy. Mankind generally is more focused on keeping their physical body healthy. People tend to ignore the state of their minds. Human superiority over other animals lies in his superior mind. Man has been able to control life due to his highly developed brain. So, it becomes very important for a man to keep both his body and mind fit and healthy. Both physical and mental health are equally important for better performance and results.

4. তলৰ কথাখিনি ইংৰাজী বা হিন্দী ভাষালৈ অনুবাদ কৰাঁ। 15

জ্ঞানৰ গুৰুত্ব সঁচাকৈয়ে বুজি পোৱা মানুহ অতি কমেইহে আছে। প্ৰতিজন শিক্ষিত ব্যক্তি জ্ঞানী নহ'বও পাৰে, কিন্তু প্ৰতিজন জ্ঞানী ব্যক্তিয়ে শিক্ষিত। এই কথাষাৰ শুনিবলৈ আচৰিত যেন লাগিব পাৰে যদিও সঁচা। আজিৰ পৃথিৱীত প্ৰায় সকলোৱেই শিক্ষিত তথাপি তেওঁলোকৰ বহুতৰে অধ্যয়ন কৰা বিষয়টোৰ বিষয়ে প্ৰকৃত জ্ঞান নাথাকে।

তদুপৰি জ্ঞান এনেকুৱা বস্তু যিয়ে গাড়ী চলোৱা, মটৰ-চাইকেল চলোৱা, সমস্যা এটা সমাধান কৰা ইত্যাদিত সহায় কৰে। জ্ঞান এনেকুৱা বস্তু যিয়ে আমাক একেটা ভুল দুবাৰ কৰিবলৈ বাধা দিয়ে। ইয়াক আপুনি ক'তো কিনিবলৈ নাপায়, আপুনি ইয়াক অৰ্জন কৰিব লাগিব।

জ্ঞানটো এনেকুৱা এটা সম্পদ যিটো আপুনি যিমানেই ভগাই লয় সিমানেই বৃদ্ধি পায়। ই আপোনাৰ বৌদ্ধিক সম্পদক সুৰক্ষা দিয়ে। মানুহে নিজৰ জ্ঞান ব্যৱহাৰ কৰি কেইটামান শতিকাৰ আগতে আমি কল্পনা কৰিব নোৱাৰা বস্তুও সৃষ্টি কৰিছে। ই আমাৰ ধাৰণাক বাস্তৱলৈ ৰূপান্তৰিত কৰাত সহায় কৰে আৰু লগতে আমাক আমাৰ জীৱনত বিচৰা সফলতাত উপনীত হোৱাত সহায় কৰে।

SET-2

ASSAMESE AECA